**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 07-07-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰাজিলত অনুষ্ঠিত ব্ৰীকছ্ সন্মিলনত ব্ৰীকছ্‌ৰ সদস্য, অংশীদাৰ আৰু আমন্ত্ৰিত অতিথিসকলৰ সৈতে বহুপাক্ষিকতা, অৰ্থনৈতিক-বিত্তীয় পৰিক্ৰমা আৰু কৃত্ৰিম বুদ্ধিমত্তা শক্তিশালী কৰা শীৰ্ষক অধিৱেশনত অংশগ্ৰহণ কৰে।

২।	শ্ৰীমোদীয়ে ব্ৰীকছ্ শীৰ্ষ সন্মিলনত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপ কৰাৰ ক্ষেত্ৰত কোনোধৰণৰ সংকোচ থাকিব নালাগে বুলি মন্তব্য কৰে।

৩।	প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে নতুন দিল্লীত আজি নিয়ন্ত্ৰকসকলৰ সন্মিলন ২০২৫ মুকলি কৰিব।

৪।	এজবেষ্টন টেষ্টত ইংলেণ্ডক ৩৩৬ ৰানত পৰাজিত কৰি এণ্ডাৰছন-তেণ্ডুলকাৰ টেষ্ট শৃংখলাত ভাৰতে ১-১ৰ সমতা কৰিছে।	***আৰু***

৫।	বেইজিঙত অনুষ্ঠিত এছিয়ান পেৰা আৰ্চাৰী প্ৰতিযোগিতাত বিশ্বৰ এক নম্বৰ পেৰালিম্পিক চেম্পিয়ন হৰবিন্দৰ সিঙে কালি দুটা সোণৰ পদক অৰ্জন কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'ত অনুষ্ঠিত সপ্তদশ ব্ৰীকছ্ শীৰ্ষ সন্মিলনত ব্ৰীকছ্‌ৰ সদস্য, অংশীদাৰ আৰু আমন্ত্ৰিত অতিথিসকলৰ সৈতে বহুপাক্ষিকতা, অৰ্থনৈতিক-বিত্তীয় পৰিক্ৰমা আৰু কৃত্ৰিম বুদ্ধিমত্তা শক্তিশালী কৰা শীৰ্ষক অধিৱেশনত অংশগ্ৰহণ কৰে। অনুষ্ঠানত ভাষণ দি শ্ৰীমোদীয়ে ব্ৰীকছ্‌ক আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ বাবে অনুঘটক হিচাপে গুৰুত্ব আৰোপ কৰে। তেওঁ এন ডি বিৰ অধীনৰ প্ৰকল্পসমূহৰ ক্ষেত্ৰত দীৰ্ঘকালীন বিত্তীয় বহনক্ষমতাৰ বাবে আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে কৃষি জৈৱ প্ৰযুক্তি আৰু ডিজিটেল শিক্ষাৰ প্ৰৱেশৰ ক্ষেত্ৰত ভাৰতৰ পদক্ষেপসমূহৰ ওপৰত আলোকপাত কৰি ব্ৰীকছ্ বিজ্ঞান আৰু অনুসন্ধান কোষ নিৰ্মাণ কৰিবলৈ আহ্বান জনায়। তেওঁ অহা বছৰ ভাৰতে আয়োজন কৰিবলগীয়া এ আই ইম্পেক্ট শীৰ্ষ সন্মিলনৰ বাবে ব্ৰীকছ্ সদস্য ৰাষ্ট্ৰসমূহ আমন্ত্ৰণ জনায়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপ কৰাৰ ক্ষেত্ৰত কোনোধৰণৰ সংকোচ থাকিব নালাগে বুলি মন্তব্য কৰে। তেওঁ কয়, যে সন্ত্ৰাসবাদৰ বলি হোৱা লোকসকল আৰু সন্ত্ৰাসবাদৰ সমৰ্থকসকলক একেটা স্তৰতে ৰাখিব নোৱাৰি। ব্ৰাজিলত অনুষ্ঠিত ব্ৰীকছ্ শীৰ্ষ সন্মিলনত শান্তি আৰু নিৰাপত্তা সম্পৰ্কীয় অধিৱেশনত ভাষণ দি শ্ৰীমোদীয়ে কয়, যে সন্ত্ৰাসবাদ আজি মানৱতাৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান ৰূপে থিয় দিছে। তেওঁ কয়, যে ২২ এপ্ৰিলত পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণ ভাৰতৰ আত্মা, পৰিচয় আৰু মৰ্যাদাৰ ওপৰত প্ৰত্যক্ষ আক্ৰমণ। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয়, যে যদি কোনো ৰাষ্ট্ৰই প্ৰত্যক্ষ বা পৰোক্ষভাৱে সন্ত্ৰাসবাদক সমৰ্থন কৰে তেন্তে ইয়াৰ মূল্য দিব লাগিব। ব্ৰীকছ্‌ৰ সদস্য দেশসমূহে সন্ত্ৰাসবাদ আৰু ইয়াৰ সমৰ্থকসকলৰ বিৰুদ্ধে এটা কণ্ঠ হিচাপে মাত মাতিব লাগিব

বুলি তেওঁ কয়। তেওঁ কয়, যে ভাৰতৰ দৃঢ় বিশ্বাস যে পৰিস্থিতি যিমানে কঠিন নহওক কিয় শান্তিৰ পথেই মানৱতাৰ কল্যাণৰ বাবে একমাত্ৰ বিকল্প। বিশ্বত যুদ্ধ আৰু হিংসাৰ কোনো স্থান নাই বুলি তেওঁ মন্তব্য কৰে। শান্তিপূৰ্ণ আৰু নিৰাপদ পৰিৱেশতহে মানৱতাৰ বিকাশ সম্ভৱ বুলি প্ৰকাশ কৰি শ্ৰীমোদীয়ে কয়, যে এই উদ্দেশ্য সম্পূৰ্ণ কৰাত ব্ৰীকছৰ অতি গুৰুত্বপূৰ্ণ ভূমিকা আছে।

ooooo

ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'ত অনুষ্ঠিত সপ্তদশ ব্ৰীকছ শীৰ্ষ সন্মিলনৰ আপাহতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহিমক সাক্ষাৎ কৰে। দুয়োগৰাকী নেতাই ভাৰত-মালয়েছিয়া সামগ্ৰিক কৌশলগত অংশীদাৰিত্বৰ বিভিন্ন ক্ষেত্ৰত প্ৰতিৰক্ষা, সন্ত্ৰাসবাদ বিৰোধী শিক্ষা, বাণিজ্য তথা বিনিয়োগ আৰু ফাৰ্মাকে ধৰি বিভিন্ন ক্ষেত্ৰত অগ্ৰগতিৰ পৰ্যালোচনা কৰে। নেতা দুগৰাকীয়ে ভাৰত-আছিয়ানৰ অংশীদাৰিত্বৰ বিষয়েও আলোচনা কৰাৰ লগতে পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত মালয়েছিয়াৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে তীব্ৰ নিন্দা কৰাৰ বাবে তেওঁক ধন্যবাদ জ্ঞাপন কৰে।

শ্ৰীমোদীয়ে কিউবাৰ ৰাষ্ট্ৰপতি মিগৱেল ডিয়াজ-কেনেল বাৰ্মুডেজেকো সাক্ষাৎ কৰে। দুগৰাকী নেতাই অৰ্থনৈতিক সহযোগিতা, জৈৱ প্ৰযুক্তি, আয়ুৰ্বেদ আৰু পৰম্পৰাগত চিকিৎসা, ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি আৰু ইউপিআই, দুৰ্যোগ ব্যৱস্থাপনা আৰু বিকাশকে ধৰি ভাৰত-কিউবাৰ সম্পৰ্কৰ বিভিন্ন দিশৰ ওপৰত মত বিনিময় কৰে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে নতুন দিল্লীত আজি নিয়ন্ত্ৰকসকলৰ সন্মিলন ২০২৫ মুকলি কৰিব। প্ৰতিৰক্ষা গণনা বিভাগে তিনিদিনীয়া কাৰ্যসূচীৰে এই সন্মিলনৰ আয়োজন কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতিৰ জৰিয়তে প্ৰকাশ কৰিছে যে এই সন্মিলনত ৮খনকৈ উচ্চ পৰ্যায়ৰ বাণিজ্যিক অধিবেশন আয়োজিত হ'ব। এই অধিবেশনসমূহত বাজেট তথা গণনা সংক্ৰান্তীয় সংস্কাৰ, অভ্যন্তৰীণ হিচাপ পৰীক্ষা সংস্কাৰ, সহযোগিতামূলক গৱেষণাকে ধৰি সক্ষমতা নিৰ্মাণৰ লগতে কেইবাটাও বিষয় সামৰি লোৱা হ'ব। বিবৃতিটোত লগতে কোৱা হয় যে এই অধিবেশনসমূহত এটা প্ৰতিযোগিতামূলক আৰু আত্মনিৰ্ভৰশীল প্ৰতিৰক্ষা বিভাগ গঢ়ি তোলাৰ বাবে কৌশলগত সমৰ্থনসহ বিত্তীয় দূৰদৰ্শিতাৰ ক্ষেত্ৰত সমতা ৰক্ষাত সংহত বিত্তীয় উপদেষ্টাসকলৰ শেহতীয়া ভূমিকা সন্দৰ্ভত আলোচনা কৰা হ'ব। প্ৰতিৰক্ষা হিচাপ পৰীক্ষা বিভাগৰ শীৰ্ষ বিষয়া, অসামৰিক সেৱা, শৈক্ষিক বিভাগ, চিন্তাবিদ তথা বিভিন্ন অংশীদাৰীকে ধৰি প্ৰতিৰক্ষা আৰু বিত্তীয় খণ্ডৰ বিভিন্ন পক্ষই এই সন্মিলনত অংশগ্ৰহণ কৰিব। এইবেলি সন্মিলনৰ বিষয়বস্তু হৈছে - প্ৰতিৰক্ষা, বিত্ত তথা অৰ্থনীতিৰ জৰিয়তে বিত্তীয় উপদেশ, ধন আদায়, হিচাপ পৰীক্ষা তথা গণনা ত্বৰান্বিত কৰা। চীফ অব ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহান, সেনাবাহিনীৰ মুৰববীসকল, প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিং, প্ৰতিৰক্ষা সেৱাৰ বিত্তীয় উপদেষ্টা এছ জি ডাষ্টিদাৰকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে আজি উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

ooooo

কটকটীয়া নিৰাপত্তাৰ বেষ্টনীৰ মাজেৰে ৮ হাজাৰ ৬০৫ জনীয়া আন এটা দল জম্মুৰ ভাগৱতী নগৰ যাত্ৰী নিৱাস বেচ কেম্পৰ পৰা অমৰনাথ গুহালৈ ৰাওনা হৈছে। এই দলত আছে- ৬ হাজাৰ ৪৮৬ গৰাকী পুৰুষ এহেজাৰ ৮২৬ গৰাকী মহিলা, ৪২টা শিশু, ২১৬ জন

সাধু আৰু ৩৫ গৰাকী সাধ্বী। ইয়াৰে ৩ হাজাৰ ৪৮৬ গৰাকী তীৰ্থযাত্ৰী বাল্টাল বেছ কেম্পলৈ আৰু ৫ হাজাৰ ১১৯ জন পহেলগাম বেছ কেম্পলৈ ৰাওনা হৈছে। এই কেম্প দুটাৰ পৰাই পৰবৰ্তী সময়ত তীৰ্থযাত্ৰী সকলে অমৰনাথলৈ যাত্ৰা কৰিব।

০০০০০

এজবেষ্টন টেষ্টত ইংলেণ্ডক ৩৩৬ ৰানত পৰাজিত কৰি এণ্ডাৰছন-তেণ্ডুলকাৰ টেষ্ট শৃংখলাত ভাৰতে ১-১ৰ সমতা কৰিছে। খেলখনৰ কালি পঞ্চম দিনা ভাৰতে ইংলেণ্ডৰ দ্বিতীয় ইনিংছৰ বাকী থকা ৭টা উইকেট দখল কৰি এই ঐতিহাসিক বিজয় সাব্যস্ত কৰে। এয়া হৈছে ৫৮ বছৰৰ পাছত এজবেষ্টনত ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ প্ৰথম জয়লাভ। কালি পঞ্চম দিনৰ খেলৰ আৰম্ভণিতে বৰষুণে খেল কিছুসময় বিঘ্নিত কৰে যদিও আকাশ দীপৰ নিখুঁট বলিঙেৰে ভাৰতে খেলখনত আধিপত্য বিস্তাৰ কৰে। ইংলেণ্ডৰ হৈ প্ৰথম ইনিংছত শতৰান সংগ্ৰহ কৰা জেমি স্মিথহে ৮৮ ৰান কৰি ঘৰুৱা দলটোৰ হৈ কিছু প্ৰতিৰোধ গঢ়ি তোলাৰ চেষ্টা কৰে।

আকাশ দীপে ৯৯ ৰানৰ বিনিময়ত ইংলেণ্ডৰ দ্বিতীয় ইনিংছত ছটা উইকেট দখল কৰে। ভাৰতৰ হৈ মহম্মদ ছিৰাজ, ৰবীন্দ্ৰ জাডেজা, প্ৰসিদ্ধ কৃষ্ণা আৰু ৱাশ্বিটংন সুন্দৰে এটাকৈ উইকেট দখল কৰে। আকাশ দীপে প্ৰথম ইনিংছত ৪টা আৰু দ্বিতীয় ইনিংছত ৬টা উইকেট দখল কৰি ১৯৮৬ চনৰ চেতন শৰ্মাৰ পাছতেই ইংলেণ্ডত এই কৃতিত্ব অৰ্জন কৰা দ্বিতীয়জন ভাৰতীয় বলাৰ হিচাপে পৰিগণিত হয়।

এজবেষ্টন টেষ্টত প্ৰথম ইনিংছত দ্বি-শতক আৰু দ্বিতীয় ইনিংছত শতক অৰ্জন কৰা শুভমন গিল ১৪৮ বছৰীয়া টেষ্ট ক্ৰিকেটৰ ইতিহাসত বিশ্বৰ নৱমগৰাকী ক্ৰিকেট খেলুৱৈ হিচাপে পৰিগণিত হয়। শুভমনে এনে কৃতিত্ব অৰ্জন কৰা ভাৰতৰ সামগ্ৰিকভাৱে দ্বিতীয় আৰু প্ৰথমগৰাকী অধিনায়ক হিচাপেও পৰিগণিত হৈছে।

খেলখনৰ চূড়ান্ত স্কৰসমূহ-

ভাৰত প্ৰথম ইনিংছ - ৫৮৭ ৰান আৰু

দ্বিতীয় ইনিংছ - ৬ উইকেটত ৪২৭ ৰান কৰি ইনিংছ সমাপ্তিৰ ঘোষণা

ইংলেণ্ড- প্ৰথম ইনিংছ - ৪০৭ ৰান আৰু

দ্বিতীয় ইনিংছ - ২৭১ ৰান

শৃংখলাটোৰ তৃতীয় টেষ্ট মেচ ১০ জুলাইত ল'ৰ্ডছত অনুষ্ঠিত হ'ব।

০০০০০

বেইজিঙত অনুষ্ঠিত এছিয়ান পেৰা আৰ্চাৰী প্ৰতিযোগিতাত বিশ্বৰ এক নম্বৰ পেৰালিম্পিক চেম্পিয়ন হৰবিন্দৰ সিঙে কালি দুটা সোণৰ পদক অৰ্জন কৰে। ইয়াৰ লগে লগে পদক তালিকাত ভাৰতৰ স্থান চীনৰ পাছতে দ্বিতীয় স্থানত উপনীত হয়। ভাৰতে তিনিটা সোণ, তিনিটা ৰূপ আৰু তিনিটা ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। পুৰুষৰ ৰিকাৰ্ভ কোৱালিফায়িং ৰাউণ্ডত হৰবিন্দৰ সিঙে ১৬৩ পইণ্টেৰে নতুন অভিলেখ গঢ়িবলৈ সক্ষম হয়। সতীৰ্থ ভাবনাৰ সৈতে ৰিকাৰ্ভ অপেন মিক্সড টীম ইভেণ্টত তেওঁ প্ৰথমটো সোণৰ পদক লাভ কৰে আৰু পুৰুষৰ অপেন ৰিকাৰ্ভ শিতানত আন এটা সোণৰ পদক লাভ কৰে। ভাৰতৰ মহিলাৰ কম্পাউণ্ড দল- শীতল দেৱী আৰু জ্যোতিয়েও চীনৰ লু ঝাং আৰু জিং ঝাওক পৰাস্ত কৰি সোণৰ পদক অৰ্জন কৰে।

০০০০০

কাজাখস্তানৰ আস্তানাত অনুষ্ঠিত বিশ্ব বক্সিং কাপত কালি ভাৰতীয় মহিলা অলিম্পিয়ান জেছমিন লেম্ব’ৰিয়া, সাক্ষী আৰু নুপুৰে নিজ নিজ ওজন শাখাত সোণৰ পদক অৰ্জন কৰে। ইয়াৰ লগে লগে ভাৰতে ৩টা সোণ, ৫টা ৰূপ আৰু ৩টা ব্ৰঞ্জৰ পদকেৰে শক্তিশালী স্থানত উপনীত হৈছে। জেছমিন লেম্ব’ৰিয়াই দুবাৰৰ অলিম্পিক বিজেতা ব্ৰাজিলৰ জুচিলেন ৰমিইউক ৪-১ ফলাফলত পৰাস্ত কৰে। আনহাতে দুবাৰৰ যুৱ বিশ্ব চেম্পিয়ন সাক্ষীয়ে আমেৰিকাৰ য়’জেলাইন পেৰেজক পৰাস্ত কৰি ৫৪ কিলোগ্ৰাম ওজন শাখাত ভাৰতৰ হৈ প্ৰথমটো সোণৰ পদক অৰ্জন কৰে। ৮০ কিলোগ্ৰাম ওঝন শাখাত নুপুৰে ৫-০ ফলাফলত স্থানীয় বক্সাৰ য়েলডানা টালিপ’ভাক পৰাস্ত কৰে। ইফালে সঞ্জু, নিখিল ডুবে আৰু নাৰেন্দৰ বেৰৱালে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ভাৰতৰ ২০ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাত ৩১ খন দেশৰ মুঠ ৪০০ বক্সাৰে যোগদান কৰিছে।

০০০০০

সমাপ্ত